# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-10-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin
::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অইল ইণ্ডিয়া লিমিটেডে গুৱাহাটী, তিনিচুকীয়া, যোৰহাট আৰু শিৱসাগৰত স্থাপন কৰিবলগীয়া চিবিজি প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰিব। শিৱসাগৰ, যোৰহাট আৰু তিনিচুকীয়াত কাইলৈ পুৱা চাৰে ন বজাত আৰু গুৱাহাটীত পুৱা ১০ বজাত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অইল ইণ্ডিয়া লিমিটেডে এখন বিজ্ঞপ্তিযোগে এই কথা প্ৰকাশ কৰিছে।

০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে অসমকে ধৰি ১৪ খন বান ক্ষতিগ্ৰস্ত ৰাজ্যলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুজি আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰিৰ পুজিৰ অংশ হিচাপে ৫ হাজাৰ ৮৫৮ কোটি ৬০ লাখ টকাৰ আৱণ্টন দিছে। কেন্দ্ৰীয় চৰকাৰে বান ক্ষতিগ্ৰস্ত লোকসকলৰ ক্ষতি লাঘৱ কৰাৰ বাবে এই পদক্ষেপ লৈছে। উল্লেখযোগ্য যে অসমৰ উপৰি মিজোৰাম, কেৰালা, ত্ৰিপুৰা, নাগালেণ্ড, গুজৰাট, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু মণিপুৰলৈ বানৰ ক্ষতিৰ মূল্যায়নৰ বাবে আন্তঃমন্ত্ৰালয়ৰ কেন্দ্ৰীয় দল প্ৰেৰণ কাৰ হৈছিল।

০০০

অসম কেবিনেটে আজি উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৬০ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰী আৰু ৭৫ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰক ড° বাণীকান্ত কাকতি বঁটাৰে স্কুটি প্ৰদান কৰাৰ সিদ্ধান্তত অনুমোদন জনায়। সৰ্বমুঠ ৪০ হাজাৰ ৭৩৫ গৰাকী ছাত্ৰী, ৭ হাজাৰ ৯৩৮ জন ছাত্ৰক এই স্কুটি প্ৰদান কৰাৰ বাবে কেবিনেটে আজি অনুমোদন জনায়। এই স্কুটিসমূহ প্ৰদানত ৰাজ্য চৰকাৰৰ ৩৪৫ কোটি ৭৫ লাখৰো অধিক ধন ব্যয় কৰা হ'ব। আজি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ১৪ বৰ্ষৰ পৰীক্ষাত অনিয়ম সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন পৰৱৰ্তী অসম বিধানসভাৰ অধিবেশনত দাখিল কৰাৰ প্ৰস্তাৱত কেবিনেটে অনুমোদন জনাইছে। জাগীৰোডৰ চেমি কনডাক্টৰ প্ৰকল্পত পানী যোগানৰ বাবে আঁচনিত আজি অনুমোদনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ বাবে ১২১ কোটি ৩৬ লাখ টকা ব্যয় কৰা হ'ব। অহা ৪ আৰু ৫ অক্টোবৰত ৰাজ্যৰ ৩৯ টা স্থানত সমজিলা কাৰ্যালয়সমূহ কেইবাগৰাকী মন্ত্ৰীয়ে শুভাৰম্ভ কৰাৰ বিষয়েও আজিৰ কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে।

০০০

ৰাজ্যৰ গৃহ আৰু ৰাজনৈতিক বিভাগে এটা নিৰ্দেশযোগে অসম আৰক্ষীৰ কেইবাগৰাকীও উচ্চ পদস্থ বিষয়াক বদলি কৰিছে। এই অনুসৰি তিনিচুকীয়াৰ মাৰ্ঘেৰিটাৰ মহকুমা আৰক্ষী বিষয়া সম্ভৱি মিশ্ৰক গুৱাহাটীৰ কেন্দ্ৰীয় আৰক্ষী আয়ুক্তালয়ৰ অতিৰিক্ত আয়ুক্ত হিচাপে বদলি কৰা হৈছে। একেদৰে জালুকবাৰীৰ আৰক্ষী

আয়ুক্তালয়ৰ সহকাৰী আৰক্ষী আয়ুক্ত সোমালীন শুভদৰ্শিনী কামৰূপৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। ইপিনে, দিশপুৰৰ আয়ুক্তালয়ৰ সহকাৰী আয়ুক্ত নিশান্ত সৌৰভক তিনিচুকীয়াৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিশেষ টাস্কফোৰ্চৰ সহকাৰী আৰক্ষী অধীক্ষক আঁচল চৌহানক গুৱাহাটীৰ শ্ৰীমন্তপুৰৰ আৰক্ষীৰ আইন, তদাৰকী আৰু দুৰ্নীতি শাখাৰ অতিৰিক্ত অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে।

০০০

গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত আজি অনুষ্ঠিত সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ সামৰণি অনুষ্ঠানত ৰাজ্যৰ বিত্ত, মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী অজন্তা নেওগে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত অংগনবাড়ী কৰ্মীসকলে বাৰেৰহণীয়া অনুষ্ঠান পৰিবেশন কৰে। তদুপৰি এইবাৰৰ পোষণ মাহৰ সৰ্বোত্তম প্ৰদৰ্শন কৰাৰ জিলাসমূহক স্বীকৃতি আৰু বঁটা প্ৰদান কৰা হয়।

মন্ত্ৰীগৰাকীয়ে আজি গোলাঘাট চহৰৰ ধোদৰআলিৰ পৰা কুমাৰপট্টী সংযোগী আৰু শংকৰবৰুৱা পথ দুটা মুকলি কৰে। মুখ্যমন্ত্ৰীৰ নগৰীয়া পকী পথ আঁচনিৰ অধীনত এই পথ দুটা নিৰ্মাণ কৰা হৈছে।

০০০

ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ উদ্যোগত আৰু কলকাতাৰ পূৰ্বাঞ্চলীয় ৰাষ্ট্ৰীয় দুগ্ধ গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত আজি ধুবুৰী জিলাৰ চাপৰৰ হলদিবাৰীত কৃষক, পশুপালকৰ জীৱিকা উন্নীতকৰণ প্ৰকল্প শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ৰাষ্ট্ৰীয় দুগ্ধ গৱেষণা প্ৰতিষ্ঠানৰ কেইবাগৰাকীও বিজ্ঞানী আৰু দুই শতাধিক কৃষক, পশুপালন উপস্থিত থাকে।

০০০

উচ্চতম ন্যায়ালয়ে শাস্তিমূলকভাৱে ব্যৱস্থা হিচাপে দেশৰ বিভিন্ন প্ৰান্তত বাসগৃহ বিনষ্ট কৰা পদক্ষেপৰ বিৰুদ্ধে দাখিল কৰা আবেদন সন্দৰ্ভত ৰায় সংৰক্ষিত ৰাখিছে। ন্যায়াধীশ বি আৰ গাভাই আৰু কে ভি বিশ্বনাথনৰ বিচাৰপীঠে কয় যে, কোনো এজন লোক অভিযুক্ত নাইবা অপৰাধী হোৱা বাবেই তেওঁৰ বাসগৃহ ধ্বংস কৰিব পৰা নাযায়। **বুলড'জাৰ জাষ্টিচ** বুলি আখ্যা দিয়া এই ব্যৱস্থাৰ সন্দৰ্ভত দুয়ো পক্ষৰ শুনানি গ্ৰহণ কৰি বিচাৰপীঠখনে কয় যে, অকৰ্তৃত্বশীলভাৱে বা ৰাজহুৱা স্থানত কৰা দখল উচ্ছেদ কৰিব পৰা যাব যদিও কোনো অভিযুক্তৰ বাসগৃহ আদালতৰ অনুমতি অবিহনে ধ্বংস কৰিব পৰা নাযাব। বিচাৰপীঠখনে লগতে সকলো সম্প্ৰদায় নিৰ্বিশেষে প্ৰযোজ্য হোৱাকৈ এইক্ষেত্ৰত নিৰ্দেশনা জাৰি কৰিব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে আদালতে আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্মাণ বা বাসগৃহ ভাঙি পেলোৱা উচিত নহয় বুলি ১৭ ছেপ্তেম্বৰত অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰিছিল। আনহাতে অকৰ্তৃত্বশীল নিৰ্মাণৰ ক্ষেত্ৰতো নিৰ্দিষ্ট সম্পত্তি ততালিকে ধ্বংস কৰাৰ পৰিবৰ্তে কমেও ১০-১৫ দিনৰ সময় দিয়াৰ কথা বিবেচনা কৰা হৈছে। সৰ্বোচ্চ ন্যায়ালয়ে এনেধৰণৰ নিৰ্মাণকাৰ্য বা বাসগৃহ ভাঙি পেলোৱাৰ বাবে জাননী দিয়াৰ তথ্য ৰখাৰ বাবে এটা অনলাইন প'ৰ্টেল মুকলি কৰাত গুৰুত্ব দিছে।

০০০

কানপুৰৰ গ্ৰীৰ্ণপাৰ্কত অনুষ্ঠিত দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত ভাৰতে বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাটোত ২-০ৰে জয়লাভ কৰিছে। বৰযুণৰ বাবে দ্বিতীয় তথা তৃতীয়

দিনৰ খেল সম্পূৰ্ণভাৱে পৰিত্যক্ত ঘোষিত হোৱাৰ পাছত বাংলাদেশে কালি চতুৰ্থ দিনা ২৩৩ ৰানত নিজৰ প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত ভাৰতে ৯ উইকেটৰ বিনিময়ত ২৮৫ ৰান সংগ্ৰহ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ